# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৰা বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ পৰিয়ালে আগবঢ়োৱা আলোকচিত্ৰ আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়। অষ্ট সপ্ততিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হয়।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত ‘ওপজা দিনৰ সুবাস’ শীৰ্ষক সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ’ব। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হয়। আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰা ড০ ৰুবুল মাউটৰ **মোৰো এটা সপোন আছে** গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীত দুটিৰ লিৰিকেল ভিডিঅ’ আজি মুকলি কৰা হয়। বিশিষ্ট গীতিকাৰ কীৰ্তি কমল ভূঞা আৰু আকাশবাণীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক অৱনী ৰঞ্জন পাঠকে মুকলি কৰা এই গীতৰ কথা ইউৰেকা কাকতি আৰু গহনা চক্ৰৱৰ্তীৰ আৰু সুৰ বৰষা বৰাৰ। সুকন্যা কাশ্যপ মহন্ত আৰু বৰষা বৰাই কণ্ঠ নিগৰোৱা গীত দুটিৰ সংগীত মনদীপ মহন্ত আৰু হিৰকজ্যোতি নাথৰ। ডিজিটেল আৰ্ট শংকৰ ভৰালীৰ। এনিমেশ্যন, এডিটিং উদ্দীপ্ত ভট্টাচাৰ্যৰ আৰু প্ৰযোজনা কৰিছে ইন্দ্ৰজিৎ দাসে।

আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৱিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ’ব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ’বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ’ব।

ooooo

বিংশ শতিকাৰ শেষৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়া কবিতাৰ জগতখনক সমৃদ্ধ কৰি ৰখা বিশিষ্ট কবি অনুভৱ তুলসীৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মগজুৰ জটিল ৰোগত আক্ৰান্ত হৈ কবিগৰাকী কেইবাদিনো ধৰি চিকিৎসাধীন হৈ আছিল। ১৯৫৮ চনত নগাঁৱত জন্মগ্ৰহণ কৰা অনুভৱ তুলসীয়ে নাজমা, দোৱোণ ফুল, জলমগ্ন দৃশ্যাৱলী, কাব্যপীঠ, পানী কাউৰী, মাটিভাষা, বানানকুৰি পঢ়া লুইতৰ পানী আদি কেইবাখনো কবিতা পুথি, অসমীয়া কবিতা আৰু তুলনামূলক আলোচনা, সৃষ্টি সুষমা আদি কবিতা বিষয়ক আলোচনা গ্ৰন্থ, গোলাপ গছত থৈ যাবি শীৰ্ষক গল্প পুথি, ঘোঁৰা চৰাৰী আৰু সূৰ্যৰ স্মৃতি শীৰ্ষক চিনেমা বিষয়ক সমালোচনা গ্ৰন্থ আদিকে ধৰি বহু কেইখন গ্ৰন্থৰ জৰিয়তে অসমীয়া সাহিত্য ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁৰ কবিতা জাৰ্মান, ফৰাচী, হাংগেৰীয়ান, উজবেক আদি ভাষালৈও অনুবাদ হৈছে। অনুভৱ তুলসীয়ে মুনিন বৰকটকী বঁটা, কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতিক দপ্তৰৰ জ্যেষ্ঠ ফেল'শ্বিপ সন্মান, অসম সাহিত্য সভাৰ সভাপতিৰ শতবৰ্ষীয় সাহিত্য সন্মান আদিকে ধৰি বহু সন্মান লাভ কৰাৰ উপৰি তেওঁৰ কবিতা গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু লখিমপুৰ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত হৈছে।

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত আজি এই সন্দৰ্ভত আৰক্ষী, জিলা প্ৰশাসন আৰু জিলা পশু চিকিৎসা বিভাগে অভিযান চলায়।

শিৱসাগৰত আজি দুখনকৈ হোটেলত শিৱসাগৰ আৰক্ষী, জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগে অভিযান চলাই কেইবা কিলোগ্ৰাম সন্দেহজনক গো-মাংস জব্দ কৰে। হোটেল দুখনৰ স্বত্বাধিকাৰী দুজনক আৰক্ষীয়ে সোধ-পোচৰ বাবে আটক কৰিছে।

ooooo

যোৰহাটতো আজি জিলা দিৱস উপলক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে আজি জিলাখনৰ হলুঙাপাৰস্থিত মহাবীৰ লাচিত মৈদামত কিম্বদন্তি আহোম সেনাপতি লাচিত বৰফুকনক শ্ৰদ্ধাঞ্জলি জনাই সাংস্কৃতিক কাৰ্যসূচীৰ লগতে ভাৰতীয় সেনাবাহিনী আৰু অসম আৰক্ষীৰ দ্বাৰা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৰহাটৰ জিলা আয়ুক্তই অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে। ইপিনে, যোৰহাট জিলা দিৱস উদযাপনৰ অংশস্বৰূপে আজি জিলাখনৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে যোৰহাট ষ্টেডিয়ামৰ চৌহদত চাৰিদিনীয়াকৈ হ'বলগীয়া আত্মসহায়ক গোট তথা ক্ষুদ্ৰ ব্যৱসায়ীৰ দ্বাৰা বিভিন্ন বিপণী আৰু বেংকৰ ঋণ মেলা মুকলি কৰে।

ooooo

অহা ৬ জুলাইত মহৰম উপলক্ষে শোণিতপুৰ জিলাৰ জিলা প্ৰসাশনে কেতবোৰ ব্যৱস্থা হাতত লৈছে। জিলা আয়ুক্ত অংকুৰ ভৰালীৰ সভাপতিত্বত আয়োজিত এখন বৈঠকত আজি মহৰম উদযাপনৰ সময়ত শোভাযাত্ৰাৰ পথত জনসমাগম নিয়ন্ত্ৰণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আইন শৃংখলা ৰক্ষা সন্দৰ্ভত আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে জনোৱা মতে পৰহিলৈৰ পৰা তিনিদিনীয়াকৈ আখৰা অনুষ্ঠিত হ'ব আৰু প্ৰশাসনে নিৰ্ধাৰণ কৰা সময় অনুযায়ী সমিতিসমূহে আখৰা পালন কৰিব লাগিব। তেজপুৰ চহৰৰ অধিসূচীত সমিতিসমূহে বিয়লি

চাৰি বজাৰ পৰা সন্ধিয়া সাত বজালৈ আৰু কাষৰীয়া অঞ্চলৰ সমিতিসমূহে বিয়লি তিনি বজাৰ পৰা ৬ বজালৈ মহৰম উদযাপন কৰিব পাৰিব।

০০০০০

দেৰগাঁও মিলনপুৰ নিবাসী অসম চৰকাৰৰ মহকুমা পৰিষদৰ অৱসৰপ্ৰাপ্ত সচিব নীলনাথ শৰ্মা ফুকনৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৮ বছৰ। মৃত্যুৰ আগলৈকে তেওঁ ৰাজ্যিক পেন্সনাৰ সংস্থা, দেৰগাঁও টাউন ক্লাবকে ধৰি বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতঃভাৱে জড়িত আছিল।

০০০০০

সমাপ্ত